জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

**প্ৰেছ বাৰ্তা নং ঃ ৩০৯/২০২২**

# গৃহৰক্ষী বাহিনীৰ জোৱানৰ দৈনিক ভাট্টা ৭৬৭ টকালৈ বৃদ্ধি

## ভাট্টা বৃদ্ধিয়ে গৃহৰক্ষী বাহিনীৰ জোৱানসকলক অধিক নিষ্ঠা আৰু উৎসৰ্গিত মনোভাৱেৰে কৰ্মত ব্ৰতী হ'বলৈ উৎসাহ যোগাব ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ১৯ অক্টোবৰ** ঃ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ নিৰ্দেশমৰ্মে ৰাজ্যৰ গৃহ বিভাগে গৃহৰক্ষী বাহিনীৰ জোৱানসকলৰ দৈনিক ভাট্টা ৭৬৭ টকালৈ বৃদ্ধি কৰিছে। উল্লেখ্য যে ৰাজ্যৰ গৃহৰক্ষী বাহিনীৰ জোৱানসকলে দৈনিক ভাট্টা বৃদ্ধিৰ বাবে দীৰ্ঘদিন ধৰি দাবী জনাই আহিছিল। ৰাজ্য চৰকাৰে এই দিশত সঁহাৰি জনাই গৃহৰক্ষী বাহিনীৰ জোৱানসকলৰ দৈনিক ভাট্টা বৃদ্ধিৰ এই সিদ্ধান্তৰ কথা ঘোষণা কৰিছে। মুখ্যমন্ত্ৰীৰ নিৰ্দেশমৰ্মে ৰাজ্যৰ গৃহ বিভাগে আজি জাৰি কৰা এইচ এম বি. ১৫০/২০১৫/২৯৯ নং অধিসূচনা অনুসৰি আজিৰে পৰাই এই বৰ্দ্ধিত ভাট্টা কাৰ্যকৰী হ'ব। ইয়াৰ পূৰ্বে প্ৰাথমিক প্ৰশিক্ষণ সমাপ্ত কৰা গৃহৰক্ষী বাহিনীৰ এগৰাকী জোৱানে দৈনিক ৩০০ টকা আৰু উন্নত প্ৰশিক্ষণ সমাপ্ত কৰা জোৱান এগৰাকীয়ে দৈনিক ৩১৫ টকাকৈ লাভ কৰি আহিছিল। ৰাজ্য চৰকাৰে আজি গ্ৰহণ কৰা এই সিদ্ধান্তৰ ফলস্বৰূপে গৃহৰক্ষী বাহিনীৰ প্ৰায় ২৪ হাজাৰ গৰাকী জোৱান উপকৃত হোৱাৰ লগতে এনে এগৰাকী জোৱানৰ মাহিলী পাৰিতোষিক ২৩ হাজাৰ ১০ টকালৈ বৃদ্ধি পাব।

এই সন্দৰ্ভত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কয় যে বৰ্তমানৰ ৰাজ্য চৰকাৰে ৰাজ্যখনৰ সকলো শ্ৰেণীৰ জনসাধাৰণৰ সৰ্বাংগীন কল্যাণৰ অৰ্থে নিৰন্তৰ প্ৰয়াস চলাই আহিছে। আজিৰে পৰা কাৰ্যকৰী হোৱাকৈ এই ভাট্টা বৃদ্ধিয়ে গৃহৰক্ষী বাহিনীৰ জোৱানসকলক অধিক নিষ্ঠা আৰু উৎসৰ্গিত মনোভাৱেৰে কৰ্মত ব্ৰতী হ'বলৈ উৎসাহ যোগাব বুলি তেওঁ আশা প্ৰকাশ কৰে।

**নিঃকুঃদাঃ**
**১৯/১০/২০২২**

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in